# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন।

২। বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি প্ৰথম দিনা বিজ্ঞান মেলা আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আহোম জনগোষ্ঠীয় লোকসকলৰ পৱিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি পৰম্পৰাগত ৰীতি-নীতিৰে পালন।

৪। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ১১৭ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যবাসীৰ শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ। ***আৰু***

৫। উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ খেলুৱৈসকলৰ কেইবাটাও শাখাত সফলতা অৰ্জন।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। বিত্ত মন্ত্ৰীৰে কাইলৈ বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ কাইলৈ দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

ইয়াৰ আগতে আজি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদৰ উভয় সদনত প্ৰাক বাজেট অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই সমীক্ষাত ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি দেশৰ বিত্তীয় শৃংখলাও ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০১৭-১৮ চনৰ তুলনাত ১৫ বছৰ উৰ্ধৰ নিবনুৱাৰ হাৰ ৬ শতাংশৰ পৰা ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত দৃষ্টিপাতত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড০ মফিদুল হাছান, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ

আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হাঁলৈয়ে অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি প্ৰথম দিনা বিজ্ঞান মেলা আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হয়। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কৰ্ণেল গুৰুপ্ৰসাদ দাস বিজ্ঞান মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে জনোৱা মতে সাহিত্য সভাৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে বিজ্ঞান মেলাৰ সংযোজন কৰা হৈছে। বিজ্ঞান মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সভাত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভুষণ দেৱচৌধুৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্ট দেৱৰ জীৱন-আদৰ্শত আলোকপাত কৰে। সাহিত্য সভাৰ বাকৰিত আজি কৈলাশ মল্লবৰুৱা সোঁৱৰণী গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য ড০ অমৰ জ্যোতি চৌধুৰীয়ে। অসম শিশু সাহিত্য ন্যাসৰ সচিব ঋষিকেশ গোস্বামীয়ে গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰে। এই গ্ৰন্থমেলাতে আজি জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰচনা কৰা **অসম বিধান সভাত কামেশ্বৰ দাস** শীৰ্ষক গ্ৰন্থখন বিশিষ্ট লেখক অঞ্জন শৰ্মাই উন্মোচন কৰে। ইয়াৰ পাছত মূল মঞ্চত অনুষ্ঠিত সাহিত্য আলোচনা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে। ৰবীন্দ্ৰ নাথ ঠাকুৰ আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ উমেশ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাত নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ লীনা গোস্বামীয়ে মূল বক্তব্য আগবঢ়ায়।

ইয়াৰ আগতে আজি অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসমৰ জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পাঠশালা সাহিত্য সভাৰ থলী-ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰে। ইয়াৰ পাছতে আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক তথা অসম সৌৰভ বঁটা প্ৰাপক কৃষ্ণ ৰয়ে এটা খৰ্গযুক্ত গড়ৰ আকৃতিত নিৰ্মাণ কৰি উলিওৱা অধিবেশনৰ মূল তোৰণ উদ্বোধন কৰে।

আমাৰ সংবাদদাতাই জনোৱা মতে সাহিত্য সভাৰ অধিৱেশনৰ তৃতীয় দিনা হ'বলগীয়া সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আহোম জনগোষ্ঠীয় লোকসকলৰ পৱিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হয়। আহোম জনগোষ্ঠীয় লোকসকলে আজিৰ দিনটোত পুলিন-পুথাওসকলক স্মৰণ কৰি দেশ আৰু জাতিৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা জনায়।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসন তথা বৃহত্তৰ কেন্দ্ৰীয় মে-ডাম-মেফি উদ্‌যাপন সমিতিৰ সহযোগত চৰাইদেউ পি এম শ্ৰী সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে মে-ডাম-মেফি উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে টাই আহোমসকলৰ এই পবিত্ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি এনেদৰে কয়।

বাইট ঃ বিমল বৰা

আজিৰ অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী যোগেন মহন, সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

শিৱসাগৰ জিলাতো আজি কাৰেংঘৰ, তলাতল ঘৰ, লেচাই মৈদামকে ধৰি বিভিন্ন স্থানত মে-ডাম-মেফীৰ আয়োজন কৰা হয়। পৰম্পৰাগত ধৰ্মীয় আৰাধনাৰে তলাতল ঘৰৰ বাকৰিত আয়োজন কৰা মে-ডাম-মে-ফীত পুৰা ফুৰালুং আৰু বানফি পূজা কৰা হয়। মে-ডাম-মে-ফী উপলক্ষে যোৰহাট জিলাৰ ৰাজমাও বৰপুখুৰীৰ পাৰত থকা জয়া ভৱনৰ পৰা ৰজামৈদামলৈ বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়।

ডিব্ৰুগড় জিলাতো আজি দিনযোৰা কাৰ্যসূচীৰে মে-ডাম-মে-ফি উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় টাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মাঙ্গলিক কাৰ্যসূচী আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। এই অনুষ্ঠানৰ মুকলি সভাত আজি টাই কৃষ্টি সংস্কৃতিৰ উত্তৰণত দীৰ্ঘদিন ধৰি কাম কৰি অহা ৰুবী গগৈ সন্দিকৈলৈ জাচিংফা বঁটা আগবঢ়োৱা হয়।

মাজুলী জিলা টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু লাহনগাওঁ ৰাইজৰ সহযোগত লাহনগাওঁ চুকাফা সমন্বয় ক্ষেত্ৰত মে-ডাম-মে-ফী উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

লখিমপুৰ জিলাৰ ঢকুৱাখানাত টাই সাংস্কৃতিক গৱেষণা আৰু কৃষ্টি বিকাশ কেন্দ্ৰ আৰু টাই আহোম ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মে-ডাম-মে-ফী পালন কৰা হয়।

তদুপৰি ধেমাজি, গুৱাহাটীৰ হেঙেৰাবাৰী, গণেশগুৰি, পাথৰকুৰেৰীকে ধৰি বিভিন্ন স্থানত পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে মে-ডাম-মেফি অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ১১৭ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যবাসীয়ে তেঁওক শ্ৰদ্ধাৰে সোঁৱৰিছে। ওৰেটো জীৱন মাটি-মানুহ তথা দেশৰ বাবে অমূল্য অৱদান আগবঢ়াই যোৱা গীতিকাৰ, সুৰকাৰ, চিত্ৰশিল্পী তথা স্বাধীনতা সংগ্ৰামী ৰাভাদেৱৰ জীৱন আদৰ্শই অসমবাসীক সদায় অনুপ্ৰাণিত কৰি আহিছে। শিল্পীগৰাকীৰ স্মৃতিত আজি তেজপুৰৰ তলগেৰেকীত থকা তেওঁৰ সমাধিস্থলত এটি বিশেষ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। কলাগুৰুৰ জ্যেষ্ঠ পুত্ৰ তথা তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই বন্তি প্ৰজলনেৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। অনুষ্ঠানত কেইবাগৰাকীও শিল্পীয়ে ৰাভাসংগীত আৰু নৃত্য পৰিবেশন কৰে। তেজপুৰত থকা কলাগুৰুৰ বাসগৃহতো আজি কলাগুৰু স্মৃতি ন্যাসৰ উদ্যোগত গীতে-মাতে শ্ৰদ্ধাঞ্জলি শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে তেজপুৰৰ প্ৰবীন কণ্ঠশিল্পী ৰুবী সিংহক বিশেষভাৱে সন্মান জনোৱা হয়। তেজপুৰ সাহিত্য সভা, কলাগুৰু প্ৰগতি সন্থা, বান থিয়েটাৰ, জ্যোতি ভাৰতী, ত্ৰিমুৰ্তি উদ্যান আদিতো শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ মাধ্যমেৰে ৰাষ্ট্ৰ নিৰ্মাণত অগ্ৰসৰ হোৱা বিদ্যা ভাৰতীৰ পূৰ্বোত্তৰ ক্ষেত্ৰই সৰুসজাই ক্ৰীড়া প্ৰকল্পত প্ৰথমবাৰৰ বাবে আয়োজন কৰা সমউৎকৰ্ষ মহাশিবিৰৰ সামৰণি অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ডº শৰ্মাই কয়, যে শিক্ষাৰ্থীসকলৰ শৰীৰ, মন আৰু আত্মাৰ আত্মসংযোগৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি এই শিবিৰে তেওঁলোকক সাংস্কৃতিক মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি সজাগ কৰি তুলিব। শিক্ষাৰ্থীসকলক আত্ম উপলব্ধি, নাগৰিকৰ দায়বদ্ধতা, আৰু পৰিবেশ সংৰক্ষণৰ প্ৰতি সচেতন হ'বলৈও এই শিবিৰে অনুপ্ৰাণিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আজিৰ

অনুষ্ঠানত ৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে একেলগে ঘোষ বাদ্য পৰিবেশন কৰাৰ লগতে এহেজাৰ ছাত্ৰীয়ে বিহু নৃত্য পৰিবেশন কৰে।

ooooo

গুৱাহাটীৰ এটা ব্যক্তিগত বৈদ্যুতিন চেনেলৰ সাংবাদিক মৃণাল কুন্দুছক প্ৰহাৰ কৰাৰ ঘটনা সন্দৰ্ভত হাতীগাঁও আৰক্ষীয়ে দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। ভুক্তভোগী সাংবাদিকগৰাকীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে খাইৰুল ইছলাম আৰু বিকি আহমেদক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, সাংবাদিক আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ পাছতে অভিযুক্ত বিকি আহমেদে কালি নিশা হাতীগাঁও থানাত আত্মসমৰ্পণ কৰে। ইয়াৰ পিছতে আজি দুই অভিযুক্তক কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতত দুই অভিযুক্তই অধিবক্তাৰ জৰিয়তে জামিন আবেদন দাখিল কৰিছিল যদিও আদালতে দুয়োৰে জামিন নাকচ কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি বিকি আহমেদ হৈছে বিধেয়ক ৰেকিবুদ্দিন আহমেদৰ আত্মীয় আৰু খাইৰুল ইছলাম হৈছে বিধায়কগৰাকীৰ গাড়ী চালক। মহানগৰীৰ হাতীগাঁৱত গাড়ী পাৰ্কিঙকলৈয়ে সাংবাদিক মৃণাল কুন্দুছক দুই অভিযুক্তই প্ৰহাৰ কৰিছিল। আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সাংবাদিকগৰাকীক পৰৱৰ্তী সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল।o

oooo

ধুবুৰী জিলাৰ বিলাসীপাৰা মহাবিদ্যালয়ত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ সোণালী জয়ন্তী অনুষ্ঠানত আজি এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ পৃষ্ঠপোষকতাত নৃকুল গ্ৰন্থাগাৰত ভাৰতীয় পৰম্পৰাগত জ্ঞানৰ সংৰক্ষণ বিষয়ক এই ৰাষ্ট্ৰীয় আলোচনাচক্ৰ ৰাষ্ট্ৰীয় অধ্যাপক শিক্ষা পৰিষদৰ পূৰ্বোত্তৰ সমিতিৰ অধ্যক্ষ ডং দিব্যজ্যোতি মহন্তই মুকলি কৰে। এই আলোচনাচক্ৰত মহাবিদ্যালয়ত গ্ৰন্থাগাৰৰ ভূমিকা, ই লাইব্ৰেৰী, গ্ৰন্থাগাৰৰ জৰিয়তে বৌদ্ধিক পৰিবেশ সৃষ্টি আদি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

oooo

গুৱাহাটী মহানগৰ আৰক্ষীৰ অপৰাধ শাখাৰ ছাইবাৰ গোটে আজি ছাইবাৰ অপৰাধৰ গোচৰত চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। দিল্লীৰ ছাইবাৰ চেলৰ তথ্যৰ আধাৰত সহকাৰী আৰক্ষী আয়ুক্ত দীপক দাসৰ নেতৃত্বত অভিযান চলাই জোন ৰহমান, জ্যোতি দাস, আমীৰ আলী আৰু ৰোহিত বৰ্মনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি দিল্লীৰ ছাইবাৰ অপৰাধী চক্ৰক ধনৰ লেনদেনৰ বাবে এই চাৰিজন অভিযুক্তই তথ্যৰ যোগান ধৰিছিল। ইপিনে দিছপুৰ আৰক্ষীৰ সহযোগত আজি কৰ্ণাটক আৰক্ষীয়ে গুৱাহাটীত অভিযান চলাই চাইবাৰ অপৰাধৰ সৈতে জড়িত থকাৰ অভিযোগত ৰাহুল ৰয় নামৰ আন এজন যুৱকক গ্ৰেপ্তাৰ কৰে।

oooo

জাগীৰোডৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা সমন্বয় ক্ষেত্ৰত আজিৰ পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘ মৰিগাওঁ জিলা শাখাৰ ৪৮ সংখ্যক বাৰ্ষিক অধিবেশন আৰম্ভ হৈছে। ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই অধিবেশনৰ আজি প্ৰথম দিনা গ্ৰন্থ উন্মোচন সভাত স্মৃতি গ্ৰন্থ **কৃষ্ণসূৰ্য্য,** বাৰ্ষিক পত্ৰিকা **গুণনিধি** আৰু মোহন চন্দ্ৰ বৰদলৈ প্ৰৱন্ধ সংকলন **ভক্তিতত্ত্বৰ অন্বেষণ** উন্মোচন কৰা হয়। এই বাৰ্ষিক অধিবেশনৰ অন্তিম দিনা ভাগৱত শোভাযাত্ৰাৰে অনুষ্ঠানৰ সামৰণি পৰিব।

০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ খেলুৱৈসকলে কেইবাটাও পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। আজি ভাৰোত্তোলনত ৬৭ কিলোগ্ৰাম শাখাত সিদ্ধান্ত গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে। মহিলাৰ সাঁতোৰত ৮০০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত শুভ্ৰনশিনি প্ৰীয়দৰ্শীনিয়ে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে অসমে কালি উশুৰ জৰিয়তে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথমটো পদক অৰ্জন কৰিছিল। ছানমা ব্ৰহ্মই উশুৰ পুৰুষৰ টাইজিকোৰন শাখাত ৰূপৰ পদক লাভ কৰে। একেদৰে মহিলাৰ ৪৫ কিলোগ্ৰাম শাখাত প্ৰীয়া বড়ো, ৭৫ কিলোগ্ৰাম শাখাত খুদ্ৰা পাং য়িং আৰু ৫৬ কিলোগ্ৰাম শাখাত ইলিনা ৰাভাই চেমিফাইনেলত প্ৰৱেশ কৰি তিনিটা পদক নিশ্চিত কৰিছে।

ফুটবলত অসমে জয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। অসমে কালি গ্ৰুপ পৰ্যায়ৰ এখন খেলত শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে।

অসমৰ মহিলা বেডমিণ্টন দল আজি চেমিফাইনেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। এই শিতানৰ খেলসমূহ ইতিমধ্যে আৰম্ভ হৈছে। অসমে বেডমিণ্টনৰ উপৰি উশু, বক্সিং, শ্বুটিং, চাইক্লিং, ছুইমিং, স্কোৱাচ আৰু ভাৰোত্তোলনত আজি প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বক্সিঙত লাভলীনা বৰগোঁহায়ে পদক জয়ৰ চেষ্টা চলাব। উল্লেখযোগ্য যে আজি ছত্তীশগড়ৰ বিজয় কুমাৰে ভাৰোত্তোলনৰ ক্লীন এণ্ড জাৰ্কৰ ৫৫ কিলোগ্ৰাম শাখাত ১৪৩ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি ৰাষ্ট্ৰীয় অভিলেখ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি পুণেত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে এই খেলখনত জয়লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰাৰ চেষ্টা চলাব। আনহাতে, ইংলেণ্ডে খেলখনত বিজয় সাব্যস্ত কৰি শৃংখলাত ক্ষমতা স্থাপনৰ চেষ্টা চলাব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। ইংলেণ্ডে মঙলবাৰে ৰাজকোটত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰতক ২৬ ৰানত পৰাস্ত কৰিছিল।

০০০০

সমাপ্ত